**10-03-2026** প্ৰাতঃমুৰুলী ওঁম্ শান্তি! ''বাপদাদা'' মধুবন।

**"মৰমৰ সন্তানসকল – সকলোতকৈ ডাঙৰ বেমাৰ হ'ল দেহ-অভিমানৰ, ইয়াৰ কাৰণেই পতন হৈছে, সেইকাৰণে এতিয়া দেহী-অভিমানী হোৱা"**

প্ৰশ্ন: তোমালোক সন্তানসকলৰ কৰ্মাতীত অৱস্থা কেতিয়া হ'ব?

উত্তৰ: যেতিয়া যোগবলেৰে কৰ্মভোগৰ ওপৰত বিজয় প্ৰাপ্ত কৰিবা। পূৰা দেহী-অভিমানী হ'বা। এই দেহ-অভিমানৰেই ৰোগ সকলোতকৈ ডাঙৰ, ইয়াৰ কাৰণে সৃষ্টি পতিত হৈ গৈছে। দেহী-অভিমানী হোৱা তেতিয়া সেই আনন্দ, সেই নিচা থাকিব, চাল-চলনো শুধৰণি হ'ব।

গীত: ৰাত কে ৰাহী থক মত জানা… (নিশাৰ পথিক ভাগৰি নপৰিবা…)

ওঁম্ শান্তি। পথিকৰ অৰ্থতো সন্তানসকলে শুনিলে, তোমালোক ব্ৰহ্মা মুখ বংশাৱলী ব্ৰাহ্মণসকলৰ বাহিৰে অন্যতো কোনেও বুজাব নোৱাৰে। তোমালোক যিসকল দেৱী-দেৱতা আছিলা, হওতে মনুষ্যই আছিলা কিন্তু তোমালোকৰ চৰিত্ৰ বহুত ভাল আছিল। তোমালোক সৰ্বগুণ সম্পন্ন, 16 কলা সম্পন্ন আছিলা। তোমালোক বিশ্বৰ মালিক আছিলা। হীৰাতুল্যৰ পৰা কড়িতুল্য কেনেকৈ হ'লা, এয়া কোনো মনুষ্যই নাজানে। তোমালোকেও পুৰুষাৰ্থৰ ক্ৰমানুসৰি পৰিৱৰ্তন হৈছা। এতিয়া তোমালোক দেৱতা হোৱা নাই। পুনৰুজ্জীৱিত হৈ আছা। কোনোবা অলপ সলনি হৈছে, কাৰোবাৰ 5 শতাংশ, কাৰোবাৰ 10 শতাংশ… চৰিত্ৰ সলনি হৈ যায়। জগতৰ লোকে এইটো গম নাপায় যে ভাৰতেই স্বৰ্গ আছিল, এনেকৈ কয়ো যে যীশুখ্ৰীষ্টৰ 3 হাজাৰ বছৰ পূৰ্বে ভাৰতত দেৱী-দেৱতা আছিল, তেওঁলোকৰ এনেকুৱা গুণ আছিল যে তেওঁলোকক ভগৱান ভগৱতী বুলি কৈছিল। এতিয়াতো সেই গুণ নাই। মনুষ্যই বুজিব নোৱাৰে, ভাৰত যি ইমান চহকী আছিল, সেই ভাৰতৰ আকৌ পতন কেনেকৈ হ'ল। সেয়াও পিতাইহে বহি বুজায়। তোমালোকেও বুজাব পাৰা, যাৰ চৰিত্ৰ শুধৰণি হৈছে। পিতাই কয় - সন্তানসকল তোমালোক যেতিয়া দেৱী দেৱতা আছিলা তেতিয়া আত্ম-অভিমানী আছিলা আকৌ যেতিয়া ৰাৱণৰাজ্য আৰম্ভ হ'ল তেতিয়া দেহ-অভিমানী হৈ গ'লা। এই দেহ-অভিমানৰ সকলোতকৈ ডাঙৰ বেমাৰ তোমালোকৰ লাগি গ'ল। সত্যযুগত তোমালোক আত্ম-অভিমানী আছিলা, বহুত সুখী আছিলা, কোনে তোমালোকক এনেকুৱা কৰিলে? এইটোও কোনেও নাজানে। পিতাই বহি বুজায় - তোমালোকৰ পতন কিয় হ'ল। নিজৰ ধৰ্মক পাহৰি গ'লা। ভাৰত একেবাৰে মূল্যহীন হৈ গ'ল। তাৰ মূল কাৰণ কি? দেহ-অভিমান। এয়াও ড্ৰামা ৰচি থোৱা আছে। মনুষ্যই এইটো নাজানে যে ভাৰত ইমান চহকী আছিল আকৌ গৰিব কেনেকৈ হ'ল, আমি আদি সনাতন দেৱী-দেৱতা ধৰ্মৰ আছিলোঁ আকৌ আমি কেনেকৈ ধৰ্ম ভ্ৰষ্ট, কৰ্ম ভ্ৰষ্ট হ'লোঁ। পিতাই বুজায়, ৰাৱণৰাজ্য হোৱা বাবে তোমালোক দেহ-অভিমানী হ'লা, তেতিয়া তোমালোকৰ এনেকুৱা অৱস্থা হ'বলৈ ধৰিলে। ছিৰিও দেখুওৱা হৈছে – কেনেকৈ পতন হ'ল, মূল্যহীন হোৱাৰো মুখ্য কাৰণ হ'ল দেহ-অভিমান। এয়াও পিতাই বহি বুজায়। শাস্ত্ৰবিলাকত কল্পৰ আয়ুস লাখ লাখ বছৰৰ বুলি লিখি দিছে। বৰ্তমান সময়ত বুদ্ধিমান হৈছে খ্ৰীষ্টানসকল। তেওঁলোকেও কয় – যীশুখ্ৰীষ্টৰ 3 হাজাৰ বছৰ পূৰ্বে 'পেৰাডাইজ' (স্বৰ্গ) আছিল, ভাৰতবাসীয়ে এইটো বুজিব নোৱাৰে যে প্ৰাচীন ভাৰতেই আছিল যাক স্বৰ্গ, 'হেভেন' বুলি কোৱা হয়। আজিকালিতো ভাৰতৰ সম্পূৰ্ণ ইতিহাস–ভূগোলক নাজানেই, কিছুমান সন্তান অলপ জ্ঞান পালেই দেহ-অভিমানত আহি যায়। এনেকৈ ভাবে যে মোৰ নিচিনা কোনো নাই। পিতাই বুজায় - ভাৰতৰ এনেকুৱা দুৰ্দশা কিয় হ'ল? বাপু গান্ধীয়েও কৈছিল – পতিত-পাৱন আহক, আহি ৰামৰাজ্য স্থাপন কৰক। আত্মাই নিশ্চয় কেতিয়াবা পিতাৰ পৰা সুখ পাইছিল, সেয়েহে পতিত-পাৱনক স্মৰণ কৰে।

পিতাই বুজায় - মোৰ সন্তান যি শূদ্ৰৰ পৰা সলনি হৈ ব্ৰাহ্মণ হয় তেওঁলোকো পূৰা দেহী-অভিমানী নহয়। বাৰে বাৰে দেহ-অভিমানত আহি যায়। এইটো হৈছে সকলোতকৈ পুৰণা ৰোগ, যাৰ কাৰণে এনেকুৱা অৱস্থা হ'ল। দেহী-অভিমানী হ'বলৈ বৰ পৰিশ্ৰম হয়। যিমানে দেহী-অভিমানী হ'ব সিমানে পিতাক স্মৰণ কৰিব। আকৌ অপাৰ আনন্দিত হৈ থাকিব লাগে। গায়ন কৰা হয় – চিন্তা আছিল সিপাৰে ব্ৰহ্মত থকা পৰমেশ্বৰৰ, তেওঁক পাই গ'লোঁ, তেওঁৰ পৰা 21 জন্মৰ উত্তৰাধিকাৰ পোৱা যায়। বাকী কি লাগে। তোমালোক কেৱল দেহী-অভিমানী হোৱা, মামেকম্ (কেৱল মোক) স্মৰণ কৰা। লাগিলে গৃহস্থালিতে থাকা। গোটেই জগত দেহ-অভিমানত আছে। ভাৰত যি ইমান উচ্চ আছিল সেই ভাৰতৰ পতন হ'ল। ইতিহাস-ভূগোল কি, এয়া কোনেও ক'ব নোৱাৰে। এই কথাবোৰ কোনো শাস্ত্ৰত নাই। দেৱতাসকল আত্ম-অভিমানী আছিল। জানিছিল যে এটা শৰীৰ এৰি আন এটা ল'ব লাগে। পৰমাত্ম-অভিমানী নাছিল। তোমালোকে যিমান পিতাক স্মৰণ কৰিবা, দেহী-অভিমানী হৈ গৈ থাকিবা সিমান বেছি মধুৰ হ'বা। দেহ-অভিমানত আহিলেই হাই-কাজিয়া, বান্দৰামি

আহি যায়, এয়া পিতাই বুজায়। এই বাবায়ো বুজি আছে। সন্তানসকল দেহ-অভিমানত আহি শিৱবাবাক পাহৰি যায়। ভাল ভাল সন্তান দেহ-অভিমানত থাকে। দেহী-অভিমানী নহয়েই। তোমালোকে যিকোনো লোককে এই বেহদৰ ইতিহাস-ভূগোল বুজাব পাৰা। যথাযথ সূৰ্যবংশী চন্দ্ৰবংশী ৰাজধানী আছিল। ড্ৰামাৰ বিষয়ে কোনেও গম নাপায়। ভাৰত যি ইমান অৱনমিত হ'ল, পতন হোৱাৰ মূলতে হ'ল দেহ-অভিমান। সন্তানসকলৰো দেহ-অভিমান আহি যায়। এইটো বুজি নাপায় যে আমাক নিৰ্দেশনা কোনে দিয়ে। সদায় বুজিবা যে শিৱবাবাই কয়। শিৱবাবাক স্মৰণ নকৰে কাৰণেই দেহ-অভিমানত আহি যায়। গোটেই জগতখন দেহ-অভিমানী হৈ গৈছে সেইবাবে পিতাই কয় – মামেকম্ স্মৰণ কৰা, নিজক আত্মা বুলি বুজা। আত্মাই এই শৰীৰৰ দ্বাৰা শুনে, ভূমিকা পালন কৰে। পিতাই কিমান ভালদৰে বুজায়। যদিও ভাষণ বহুত ভালকৈ দিয়ে কিন্তু চাল-চলনোতো ভাল হ'ব লাগে নহয়। দেহ-অভিমান থকাৰ কাৰণে অনুত্তীৰ্ণ হৈ যায়। সেই আনন্দ বা নিচা নাথাকে। তেতিয়া তেওঁলোকৰ দ্বাৰা ডাঙৰ বিকৰ্মও হয়, যাৰ কাৰণে ভীষণ শাস্তিৰ ভাগীদাৰ হৈ যায়। দেহ-অভিমানী হোৱাৰ কাৰণে বহুত লোকচান হয়। বহুত শাস্তি খাবলগীয়া হয়। পিতাই কয় - এয়া ঈশ্বৰীয় বিশ্ব চৰকাৰ হয় নহয়। মোৰ অৰ্থাৎ ঈশ্বৰৰ চৰকাৰৰ সোঁহাত হ'ল ধৰ্মৰজা। তোমালোকে ভাল কৰ্ম কৰা তেতিয়া তাৰ ফল ভাল পোৱা। বেয়া কৰ্ম কৰিলে তেতিয়া তাৰবাবে শাস্তি খোৱা। সকলোৱে গৰ্ভ কাৰাগাৰত শাস্তি খায়। তাৰ ওপৰতো এটা কাহিনী আছে। এই সকলোবোৰ কথা এই সময়ৰ। মহিমা এজন পিতাৰ। অন্য কাৰো মহিমা নাই সেইকাৰণে লিখা হয় ত্ৰিমূৰ্তি শিৱ জয়ন্তী হীৰাতুল্য। বাকী সকলো কড়িতুল্য। শিৱবাবাৰ বাহিৰে কোনেও পাৱন কৰি তুলিব নোৱাৰে। পাৱন হয় আকৌ ৰাৱণে পতিত কৰি দিয়ে। যাৰ কাৰণে সকলো দেহ-অভিমানী হৈ গ'ল। এতিয়া তোমালোক দেহী-অভিমানী হোৱা। এই দেহী-অভিমানী অৱস্থা 21 জন্মলৈ থাকে। গতিকে মহিমা এজনৰ গায়ন কৰা হয়। ভাৰতক স্বৰ্গ কৰি তোলোঁতা হৈছে শিৱবাবা, এইটো কোনেও গম নাপায় যে শিৱবাবা কেতিয়া আহিল, তেওঁৰ ইতিহাসতো প্ৰথমে জানিব লাগে। 'শিৱ' বুলি কোৱাই হয় পৰমপিতা পৰমাত্মাক।

তোমালোকে জানা যে দেহ-অভিমানৰ কাৰণে পতন হয়। এনেকুৱা হ'লেহে তেতিয়া পিতা উত্থান কৰিবলৈ আহিব। উত্থান আৰু পতন, দিন আৰু ৰাতি, জ্ঞান সূৰ্য প্ৰকট হ'ল, অজ্ঞানতাৰ অন্ধকাৰ নাশ হ'ল। সকলোতকৈ বেছি অজ্ঞানতা হৈছে এই দেহ-অভিমান। আত্মাৰ বিষয়ে কোনেও গম নাপায়। আত্মাই পৰমাত্মা বুলি কৈ দিয়ে গতিকে কিমান পাপ আত্মা হৈ গৈছে সেইকাৰণে পতন হৈছে। 84 জন্ম লৈছে, ছিৰি অৱনমিত হৈ আহিছে। এই খেল ৰচি থোৱা আছে। এই বিশ্বৰ ইতিহাস-ভূগোলৰ বিষয়ে তোমালোক সন্তানসকলে জানা অন্য কোনেও নাজানে। বিশ্বৰ পতন কেনেকৈ হ'ল। তেওঁলোকেতো ভাবে যে বিজ্ঞানৰ দ্বাৰা বহুত উন্নতি হৈছে। এইটো নুবুজে যে সৃষ্টি আৰুহে পতিত নৰক হৈ গ'ল। দেহ-অভিমান বহুত আছে। পিতাই কয় - এতিয়া তোমালোক দেহী-অভিমানী হ'ব লাগে। ভাল ভাল মহাৰথী অনেক আছে। জ্ঞান বৰ ভালকৈ শুনে কিন্তু দেহ-অভিমান পূৰা আঁতৰা নাই। দেহ-অভিমানৰ কাৰণে কিছুমানৰ ক্ৰোধৰ অংশ, কিছুমানৰ মোহৰ অংশ, কিবা নহয় কিবা আছে। চৰিত্ৰ শুধৰণি হ'ব লাগে। বহুত মধুৰ হ'ব লাগে। সেয়ে দৃষ্টান্ত দিয়ে – সিংহ ছাগলীয়ে একেলগে পানী খায়। তাত এনেকুৱা কোনো দুখ দিয়া জন্তুও নাথাকে। এই কথাবিলাকো কাচিৎহে কোনোবাই বুজি পায়। বুজোঁতাসকল ক্ৰমানুসৰি হয়। কৰ্মভোগ সমাপ্ত হৈ যাওক, কৰ্মাতীত অৱস্থা হৈ যাওক, এইটো কঠিন। বহুত দেহ-অভিমান আহে। গমেই নাপায় – আমাক এই মত কোনে দিয়ে। শ্ৰীমত, শ্ৰীকৃষ্ণৰ দ্বাৰা কেনেকৈ পাবা। শিৱবাবাই কয় এওঁৰ অবিহনে শ্ৰীমত কেনেকৈ দিম। এইখন মোৰ স্থায়ী ৰথ। দেহ-অভিমানত আহি ওলট-পালট কাম কৰি অবাবতে নিজৰ ধ্বংস নকৰিবা। নহ'লে ফলাফল কি হ'ব! বহুত কম (সাধাৰণ) পদ পাবা। পঢ়াসকলৰ আগত নপঢ়াসকলে মূৰ দোৱাব। বহুতে কয় - ভাৰতৰ ইতিহাস-ভূগোল যি সম্পূৰ্ণকৈ থাকিব লাগিছিল সেয়া নাই। গতিকে তেওঁলোকক বুজাবলগীয়া হয়। তোমালোকৰ বাহিৰে কোনেও বুজাব নোৱাৰে। কিন্তু দেহী-অভিমানী স্থিতি লাগে, তেওঁহে উচ্চ পদ পাব পাৰে। এতিয়াতো কৰ্মাতীত অৱস্থা কাৰো হোৱা নাই। এওঁৰ (ব্ৰহ্মা বাবাৰ) ওপৰত বহুত জঞ্জাল আছে। কিমান চিন্তা থাকে। হওঁতে বুজি পায় যে সকলো ড্ৰামাৰ পৰিকল্পনা অনুসৰি হয়। তথাপিও বুজাবৰ কাৰণেতো যুক্তি ৰচিবলগীয়া হয় নহয় সেইকাৰণে বাবাই কয় তোমালোক বেছিকৈ দেহী-অভিমানী হ'ব পাৰা। তোমালোকৰ ওপৰত কোনো বোজা নাই, বাবাৰ ওপৰততো বোজা আছে। মুখ্যতো হৈছে প্ৰজাপিতা ব্ৰহ্মা নহয় জানো। কিন্তু এইটো কোনেও গম নাপায় যে এওঁৰ শৰীৰত শিৱবাবা বহি আছে। তোমালোকৰ ভিতৰতো কিছুমানৰহে এইটো নিশ্চয়তা থাকে। গতিকে এই বিশ্বৰ ইতিহাস-ভূগোল জানিব লাগে নহয়। ভাৰতত স্বৰ্গ কেতিয়া আছিল, আকৌ ক'লৈ গ'ল? কেনেকৈ পতন হ'ল? এয়া কোনেও গম নাপায়। যেতিয়ালৈকে তোমালোকে নুবুজোৱা তেতিয়ালৈকে কোনেও বুজিব নোৱাৰে সেইকাৰণে বাবাই নিৰ্দেশনা দিয়ে। লিখা-পঢ়া কৰিছা যেতিয়া স্কুলত বিশ্বৰ ইতিহাস-ভূগোলৰ বিষয়ে শুনাব লাগে। পতনৰ ওপৰত ভাষণ দিব লাগে। ভাৰত হীৰাতুল্য আছিল সেই ভাৰত আকৌ কড়িতুল্য কেনেকৈ হ'ল? কিমান বছৰ লাগিল? আমি বুজাওঁ। এনেকুৱা পুস্তিকা উৰাজাহাজৰ দ্বাৰা পেলাব পাৰা। বুজাওঁতাজন বৰ বুদ্ধিমান হ'ব লাগে। চৰকাৰে বিচাৰিলে তেতিয়া

চৰকাৰৰেই প্ৰেক্ষাগৃহ, বিজ্ঞান ভৱন যিটো দিল্লীত আছে তালৈ সকলোকে নিমন্ত্ৰণ দিব লাগে। বাতৰিকাকততো প্ৰকাশ কৰিব লাগে। কাৰ্ডো সকলোলৈকে পঠিয়াই দিয়া। আমি আপোনাক গোটেই বিশ্বৰ ইতিহাস-ভূগোল আদিৰ পৰা অন্তলৈ বুজাওঁ। নিজেই আহিব, যাব। পইচাৰতো কথাই নাই। ধৰিলোৱা মই কাৰোবাক লগ পালোঁ, উপহাৰ দিলে তেতিয়া আমি ল'ব নোৱাৰোঁ। সেৱা কৰিবৰ কাৰণে কামত খটুৱাম, বাকী আমি ল'ব নোৱাৰোঁ। পিতাই কয় - মই তোমালোকৰ পৰা দান লৈ কি কৰিম যাৰ বাবে পাছত ভৰপূৰ কৰি দিব লাগিব। মই বৰ চতুৰ দালাল। ভাল বাৰু!

অতি মৰমৰ, কল্পৰ পাছত পুনৰাই লগ পোৱা সন্তানসকলৰ প্ৰতি মাতা-পিতা বাপদাদাৰ স্নেহপূৰ্ণ স্মৰণ আৰু সুপ্ৰভাত। আত্মিক পিতাৰ আত্মিক সন্তানসকলক নমস্কাৰ।

*ধাৰণাৰ বাবে মুখ্য সাৰ:-**

(1) দেহ-অভিমানত আহি কোনো ওলোটা কাৰ্য কৰিব নালাগে। দেহী-অভিমানী হোৱাৰ পূৰা পূৰা পুৰুষাৰ্থ কৰিব লাগে। নিজৰ চৰিত্ৰ (চল-চলন) শুধৰাই থাকিব লাগে।

(2) অতি অমায়িক, শীতল হ'ব লাগে। ভিতৰত ক্ৰোধ মোহৰ যি ভূত আছে, সেয়া আঁতৰাই দিব লাগে।

বৰদান: সন্মান দিয়াৰ ৰেকৰ্ড (অভিলেখ) ঠিকে ৰাখি, আনন্দৰ মহাদান কৰোতা পুণ্য আত্মা হোৱা
বৰ্তমান সময়ত চাৰিওফালে সন্মান দিয়াৰ ৰেকৰ্ড ঠিক কৰাৰ প্ৰয়োজন আছে। এই ৰেকৰ্ডেই আকৌ চাৰিওফালে বাজিব। সন্মান দিয়া আৰু সন্মান লোৱা - সৰুকো সন্মান দিয়া আৰু ডাঙৰকো সন্মান দিয়া। এই সন্মানৰ ৰেকৰ্ড এতিয়া ৰাখিব লাগে, তেতিয়াহে আনন্দ দান কৰোঁতা মহাদানী পুণ্য আত্মা হ'বাগৈ। কাৰোবাক সন্মান জনাই আনন্দিত কৰি দিয়া – এইটো আটাইতকৈ ডাঙৰ পুণ্যৰ কাম আৰু সেৱা।

শ্লোগান: প্ৰতিটো মুহূৰ্তক অন্তিম মুহূৰ্ত বুলি বুজি চলা তেতিয়া সদাপ্ৰস্তুত হৈ থাকিবা।

!! ওঁম্ শান্তি !!

মাতেশ্বৰী জীৰ অমূল্য মহাবাক্য

1) "তমোগুণী মায়াৰ বিস্তাৰ"

সতোগুণী, ৰজোগুণী, তমোগুণী এই তিনিটা শব্দ কয় ইয়াক যথাৰ্থভাৱে বুজাটো জৰুৰী। মনুষ্যই ভাবে এই তিনিওটা গুণ একেলগে চলি থাকে, কিন্তু বিবেকে কি কয় – এই তিনিওটা গুণ একেলগে চলি আহে নে তিনিওটা গুণৰ ভূমিকা বেলেগ বেলেগ যুগত চলে? বিবেকেতো এনেকৈয়ে কয় যে এই তিনিওটা গুণ একেলগে নচলে, যেতিয়া সত্যযুগ হয় তেতিয়া সতোগুণ, দ্বাপৰত ৰজোগুণ আৰু কলিযুগত তমোগুণ। যেতিয়া সতো হয় তেতিয়া তমো, ৰজো নাথাকে, যেতিয়া ৰজো হয় তেতিয়া আকৌ সতোগুণ নাথাকে। এয়া মনুষ্যইতো এনেকৈয়ে বুজি বহি আছে যে এই তিনিওটা গুণ একেলগে চলি আহি থাকে। এনেকৈ কোৱাটো একেবাৰে ভুল, তেওঁলোকে ভাবে যেতিয়া মনুষ্যই সঁচা কয়, পাপ কৰ্ম নকৰে তেতিয়া তেওঁলোক সতোগুণী কিন্তু বিবেকে কয় যেতিয়া আমি সতোগুণ বুলি কওঁ, তেন্তে এই সতোগুণৰ অৰ্থ হ'ল সম্পূৰ্ণ সুখ অৰ্থাৎ গোটেই সৃষ্টি সতোগুণী। বাকী এনেকৈ কোৱা নহ'ব যে যিসকলে সঁচা কয় তেওঁলোক সতোগুণী আৰু যিসকলে মিছা কয় তেওঁলোক কলিযুগী তমোগুণী, এনেকৈয়ে জগতখন চলি আহিছে। এতিয়া যেতিয়া আমি সত্যযুগ বুলি কওঁ, তেন্তে ইয়াৰ অৰ্থ হ'ল গোটেই সৃষ্টিত সতোগুণ সতোপ্ৰধান হোৱা উচিত। অৱশ্যে হয়, কোনোবা সময়ত এনেকুৱা সত্যযুগ আছিল য'ত গোটেই সংসাৰ সতোগুণী আছিল। এতিয়া সেই সত্যযুগ নাই, এতিয়াতো হৈছে কলিযুগী সৃষ্টি অৰ্থাৎ গোটেই সৃষ্টিত তমোপ্ৰধানতাৰ ৰাজ্য। এই তমোগুণী সময়ত আকৌ সতোগুণ ক'ৰ পৰা আহিল! এতিয়া হ'ল ঘোৰ অন্ধকাৰ যাক ব্ৰহ্মাৰ ৰাত্ৰি বুলি কয়। ব্ৰহ্মাৰ দিন হ'ল সত্যযুগ আৰু ব্ৰহ্মাৰ ৰাত্ৰি হ'ল কলিযুগ, গতিকে আমি দুয়োটাকে মিলাব নোৱাৰোঁ।

2) "কলিযুগী অসাৰ সংসাৰৰ পৰা সত্যযুগী সাৰযুক্ত সৃষ্টিলৈ লৈ যোৱাটো একমাত্ৰ পৰমাত্মাৰেই কাম"

এই কলিযুগী সংসাৰক অসাৰ সংসাৰ বুলি কিয় কয়? কিয়নো এইখন জগতত কোনো সাৰ নাই অৰ্থাৎ কোনো বস্তুতে সেই শক্তি নাই অৰ্থাৎ সুখ, শান্তি, পৱিত্ৰতা নাই। এইখন সৃষ্টিত কোনোবা সময়ত যি সুখ শান্তি পৱিত্ৰতা আছিল এতিয়া সেই

শক্তি নাই কিয়নো এইখন সৃষ্টিত 5 ভূতৰ প্ৰৱেশ হৈছে সেইকাৰণেই এইখন সৃষ্টিক ভয়ৰ সাগৰ অথবা কৰ্ম বন্ধনৰ সাগৰ বুলি কয় সেইবাবেই মনুষ্য দুখী হৈ পৰমাত্মাক আহ্বান জনাই আছে - পৰমাত্মা আমাক ভৱ সাগৰৰ পৰা পাৰ কৰাওক ইয়াৰ পৰা সিদ্ধ হয় যে নিশ্চয় কোনো অভয় অৰ্থাৎ নিৰ্ভয়তাৰো সংসাৰ আছে য'লৈ যাব বিচাৰে সেইকাৰণে এইখন সংসাৰক পাপৰ সাগৰ বুলি কয়, যিখন পাৰ হৈ পুণ্য আত্মা থকা সৃষ্টিলৈ যাব বিচাৰে। গতিকে জগত দুখন, এখন সত্যযুগী সাৰযুক্ত জগত আনখন হ'ল কলিযুগী অসাৰ জগত। দুয়োখন জগত এইখন সৃষ্টিতেই হয়। এতিয়া পৰমাত্মাই সেই সাৰযুক্ত জগত স্থাপন কৰি আছে। বাৰু – ওঁম্ শান্তি।

অব্যক্ত ইংগিত**:** নিশ্চয়তাৰ ভেটী মজবুত কৰি সদায় নিৰ্ভয় আৰু নিশ্চিন্ত হৈ থাকা

যেনেকৈ জ্ঞানৰ বিষয়টি আছে, তেনেকৈ সেৱাৰো বিষয় আছে, যি ইয়াত বিশ্বাসী আৰু নিশ্চয়বুদ্ধিৰ হয়, তেৱেঁই আগবাঢ়ি যাব পাৰে। ৰাতিপুৱাৰ পৰা নিশালৈকে নিজৰ নিৰ্দিষ্ট কাৰ্যসূচী আৰু দৈনিক দিনলিপি প্ৰস্তুত কৰা, কিয়নো তোমালোক দায়িত্বশীল আত্মা, সাধাৰণ আত্মা নহয়, বিশ্ব কল্যাণকাৰী আত্মা। যিমানেই ডাঙৰ ব্যক্তি, তেওঁৰ দিনচৰ্যা নিৰ্ধাৰিত হৈ থাকে।

[বি:দ্ৰ: - ব্ৰহ্মাকুমাৰী ঈশ্বৰীয় বিশ্ব বিদ্যালয়ৰ নিয়মীয়া বিদ্যাৰ্থীসকলৰ বাবে]